# Assam Going Online (AGO)

**শ্ৰেণী: ষষ্ঠ** **বিষয়: গণিত** **বিষয়বস্তু: পূৰ্ণ সংখ্যা**

## শিকনৰ উদ্দেশ্য:

- ছাত্ৰ-ছাত্ৰীয়ে পূৰ্ণ সংখ্যা আৰু পূৰ্ণ সংখ্যাৰ ব্যৱহাৰৰ বিষয়ে জ্ঞান লাভ কৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে সংখ্যা প্ৰণালীৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পাব।

| দৈনিক ক্ৰম | সময় | ক্ৰিয়াকলাপ | সংশ্লিষ্ট সমলসমূহ |
|---|---|---|---|
| ১ম দিন | ২০ মিনিট | **কাৰ্যকলাপ ১:**<br>– প্ৰথমে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ঘৰৰ বিভিন্ন সামগ্ৰীৰ তালিকা প্ৰস্তুত কৰিব আৰু সংখ্যা গণনা কৰিব। (যেনে: বিচনা-৩, চকী-৮, খিৰিকী-১০ ইত্যাদি)। তেওঁলোকে তেওঁলোকৰ টোকাবহীত সংখ্যাবোৰ লিখিব।<br>– ছাত্ৰ-ছাত্ৰীয়ে পূৰ্ণসংখ্যাৰ বিষয়ে বুজিবলৈ পাঠ্যপুথিৰ ৭৭ নং পৃষ্ঠা চাব।<br>*পূৰ্ণসংখ্যাৰ বিষয়ে এক স্পষ্ট ধাৰণা পাবলৈ ছাত্ৰ-ছাত্ৰীক সমলত উল্লেখ কৰা লিংকটো চাব ক'ব পাৰে। | – https://www.youtube.com/watch?v=BOUpHw_83D4 (হিন্দীত পূৰ্ণ সংখ্যাৰ ধাৰণা)<br>– পাঠ্যপুথিৰ পৃষ্ঠা নং- 77 |
| | ৩০ মিনিট | **কাৰ্যকলাপ ২:**<br>– প্ৰথমে ছাত্ৰ-ছাত্ৰীয়ে সমলত উল্লেখ কৰা পাঠ্যপুথিৰ পৃষ্ঠাকেইটা ভালদৰে পঢ়িব। ছাত্ৰ-ছাত্ৰীয়ে সমলত উল্লেখ কৰা লিংক দুটাও চাব পাৰে।<br>– ছাত্ৰ-ছাত্ৰীয়ে সংখ্যাৰেখা ব্যৱহাৰ কৰি তলৰ যোগ, বিয়োগ আৰু পূৰণ অংককেইটা সমাধান কৰিব আৰু শিক্ষক বা নিজৰ পৰিয়ালৰ সদস্যক দেখুৱাব। | – পাঠ্যপুথিৰ পৃষ্ঠা নং- 77, 78, 82, 83<br>– https://www.youtube.com/watch?v=PVNiyorUc2s (সংখ্যাৰেখা ব্যৱহাৰ কৰি যোগ আৰু বিয়োগ)<br>– https://www.youtube.com/watch?v=5FdKKWG_5f4 (হিন্দীত সংখ্যাৰেখা ব্যৱহাৰ কৰি পূৰণ) |

Supported By: TATA TRUSTS

*Prepared by:* Saiful Islam, Alitangani Senior Madrassa, Nagaon, Assam; *Edited by:* Srabanti Basak, ITE Resource Team, TISS, Mumbai; *Translated by*: Nitumani Kalita, Pranjit Barman, Gramya Vikash Mancha, Assam.

| | | | |
|---|---|---|---|
| | | ○ 5+4<br>○ 9- 2<br>○ 2*3 | |
| | ৩০ মিনিট | **কাৰ্যকলাপ ৩:**<br><br>**ছাত্ৰ-ছাত্ৰীয়ে তলৰ কাৰ্যকলাপটি সম্পূৰ্ণ কৰিব আৰু শিক্ষক বা পৰিয়ালৰ সদস্যক দেখুৱাব-**<br><br>1. এটা স্বাভাৱিক সংখ্যা নোহোৱা পূৰ্ণ সংখ্যাটো হ'ল .........।<br>2. (2+5) + 3 = 2+ (5+ 3) উক্তিটোৱে বুজায় যে পূৰ্ণ সংখ্যাৰ যোগফল..............।<br>3. 15 ৰ পৰা 65 ৰ ভিতৰত কিমানটা পূৰ্ণ সংখ্যা আছে?<br>4. 254, 540, 105 ত 5 ৰ মান কিমান?<br>5. এশ সাতাইশ সংখ্যাৰে লিখা।<br>6. চাৰিটা অংকৰে লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো কি?<br>7. 'আটাইতকৈ ডাঙৰ' পূৰ্ণ সংখ্যা নাই। (শুদ্ধ/অশুদ্ধ)<br>8. যেতিয়া এটা পূৰ্ণ সংখ্যাক 0 ৰে পূৰণ কৰা হয়, তাৰ উত্তৰ সদায়..........।<br>9. 6428 ক বিস্তাৰ কৰি লিখা।<br>10. 6 সংখ্যাটোক এটা আয়তক্ষেত্ৰৰ ৰূপত সজোৱা। | |
| **২য় দিন** | ৪৫ মিনিট | **মূল্যায়ণ:**<br>– ছাত্ৰ-ছাত্ৰীয়ে তলৰ সংখ্যাকেইটাৰ প্ৰতিটোৰে কাৰণসহ শ্ৰেণীৱদ্ধ কৰিব-<br>( -9, 2/5, 0, 210, 8*3, 10-4, 12+10, 5.5)<br><br><table><tr><th>পূৰ্ণ সংখ্যা</th><th>পূৰ্ণ সংখ্যা নহয়</th></tr><tr><td></td><td></td></tr><tr><td></td><td></td></tr></table> | |

| | | | |
|---|---|---|---|
| | | <table><tr><td></td><td></td></tr><tr><td></td><td></td></tr></table><br>– 10+36+7 সনীকৰণটোক সৰল কৰিবলৈ অন্য ধৰণে লিখা<br>– 1 ৰ পূৰ্বপদ আৰু উত্তৰপদ আছেনে? যদি নাই, তেতিয়া হ'লে ই কেনেদৰে সম্ভৱ? এডাল সংখ্যাৰেখা অংকন কৰি বুজাই দিয়া।<br>– 1 ৰ পৰা 9 লৈ পূৰ্ণ সংখ্যবোৰ ব্যৱহাৰ কৰি আটাইতকৈ ডাঙৰ সংখ্যাটো লিখা। প্ৰতিটো সংখ্যা এবাৰতকৈ অধিক ব্যৱহাৰ নকৰিবা। | |